# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date : 17**-09-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ যশোভূমিত ছেমিকন ইণ্ডিয়া সন্মিলন আৰু প্ৰদৰ্শনীৰ পঞ্চম সংস্কৰণ মুকলি কৰিব।

২। ভাৰতে তথাকথিত পাকিস্তান-চীন সীমান্ত যুঁটীয়া আয়োগৰ অস্তিত্ব নুই কৰিছে।

৩। সমগ্ৰ দেশত আজি পৰিচ্ছন্নতাই সেৱা অভিযান, ২০২৬ আৰম্ভ হ'ব।

৪। অসমৰ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ২৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

*আৰু*

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ যশোভূমিত ছেমিকন ইণ্ডিয়া সন্মিলন আৰু প্ৰদৰ্শনীৰ পঞ্চম সংস্কৰণ মুকলি কৰিব। এই তিনিদিনীয়া সন্মিলনে এখন ধ্বজাবাহী মঞ্চ হিচাপে কাম কৰিব আৰু গোলকীয় ছেমি কণ্ডাক্টৰ আৰু বৈদ্যুতিন খণ্ডৰ প্ৰতিষ্ঠানসমূহক একত্ৰিত কৰি সমন্বয় বৃদ্ধি, উদ্ভাৱন, উৎপাদন সামৰ্থ বৃদ্ধি, বিনিয়োগ আকৰ্ষিত কৰা আৰু ভৱিষ্যতৰ বাবে সাজু প্ৰতিভাৰ বিকাশত অৰিহণা যোগাব। এই তিনিদিনীয়া সন্মিলন আৰু প্ৰদৰ্শনীৰ মূল বিষয়বস্তু হৈছে- ছিলিকনৰ পৰা প্ৰণালীলৈ ঃ অনুকূল ব্যৱস্থাৰ নিৰ্মাণ। প্ৰদৰ্শনীত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৬০০তকৈ অধিক প্ৰদৰ্শনকাৰী, ৩০০তকৈ অধিক আন্তঃৰাষ্ট্ৰীয় কোম্পানী আৰু ৪০ খনতকৈ অধিক দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। প্ৰদৰ্শনীখনত ছখন দেশ, ১২ খন ৰাজ্য আৰু ষ্টাৰ্টআপ প্ৰতিষ্ঠানৰ বাবে এটা সুকীয়া মণ্ডপ থাকিব। এই সন্মিলন তথা প্ৰদৰ্শনীত ছেমী কণ্ডাক্টৰ নিৰ্মাণ আৰু প্ৰযুক্তিকে ধৰি ছেমি কণ্ডাক্টৰ আৰু বৈদ্যুতিক খণ্ডৰ শেহতীয়া শৈলী আৰু গুৰুত্বপূৰ্ণ খণ্ড সন্দৰ্ভত উচ্চ পৰ্যায়ৰ আলোচনা আৰু কৌশলগত অধিৱেশনৰ আয়োজন কৰা হ'ব। এই সন্মিলনে ভাৰতীয় আৰু আন্তঃৰাষ্ট্ৰীয় কোম্পানীসমূহৰ বাবে সহযোগিতাৰ অন্বেষণ, বিনিয়োগৰ সুযোগ, প্ৰযুক্তিগত সহযোগিতা আৰু বিশ্বাসী গোলকীয় ছেমি কণ্ডাক্টৰ সহযোগী হিচাপে ভাৰতৰ স্থিতি অধিক সবল কৰি তুলিব।

ooooo

ভাৰতে তথাকথিত পাকিস্তান-চীন সীমান্ত যুঁটীয়া আয়োগৰ অস্তিত্ব নুই কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কালি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে, পাকিস্তানৰ অবৈধভাৱে দখল কৰা ভাৰতৰ

ভূখণ্ডৰ সৈতে জড়িত কোনো ব্যৱস্থাত চামিল হোৱাৰ অধিকাৰ নাই। তেওঁ কয়, যে এই সন্দৰ্ভত ভাৰতৰ দৃষ্টিভংগী স্পষ্ট আৰু অটল। শ্ৰী জয়ছোৱালে কয়, যে নতুন দিল্লী মহলে পাকিস্তান-চীন সীমান্ত যুটীয়া আয়োগক মানি নলয়, কিয়নো ইয়াৰ কোনো বৈধ ভিত্তি নাই। কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰ আৰু লাডাখ ভাৰতৰ অবিচ্ছেদ্য অংগ আছিল আৰু সদায় হৈ থাকিব বুলি মুখপাত্ৰ গৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ভাৰতে ১৯৬৩ চনৰ চীন-পাকিস্তান সীমা চুক্তিক কেতিয়াও স্বীকৃতি প্ৰদান কৰা নাই আৰু এই চুক্তি অবৈধ বুলি গণ্য কৰি আহিছে। শ্ৰী জয়ছোৱালে কয়, যে ভাৰতে অবৈধভাৱে দখল কৰি থকা অঞ্চলক বৈধ প্ৰতিপন্ন কৰাৰ বাবে চলোৱা প্ৰয়াসৰ তীব্ৰ বিৰোধিতা কৰে। পাকিস্তানে এনে প্ৰয়াস চলোৱাৰ পৰিৱৰ্তে সেই অঞ্চলসমূহৰ আঁতৰি যোৱা উচিত বুলি তেওঁ মন্তব্য কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাভ কৰা স্মাৰক আৰু উপহাৰৰ ই-নিলাম প্ৰক্ৰিয়া আজি আৰম্ভ হ'ব। নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে কালি কয় যে ভাৰতৰ বৈচিত্যময় সংস্কৃতি, বিশ্বাস আৰু পৰম্পৰাগত কাৰুশিল্পক প্ৰতিনিধিত্ব কৰা চিত্ৰকলা, বস্ত্ৰ, মূৰ্তি, প্ৰাচীন আৰু হস্তনিৰ্মিত শিল্পকৰ্মকে ধৰি এই বছৰ নিলামৰ বাবে প্ৰায় এহেজাৰ ৫০০ বিধ সামগ্ৰী ৰখা হৈছে। শ্ৰীশ্বেখাৱাটে কয় যে ই-নিলামৰ পূৰ্বৰ ৭টা সংস্কৰণত মুঠ ৭ হাজাৰ ৪৪০ বিধ সামগ্ৰী নিলাম কৰা হৈছিল আৰু ইয়াৰ জৰিয়তে ২২ কোটি টকা সংগ্ৰহ কৰা হৈছিল। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ধনৰাশি গংগা নদীৰ নিৰন্তৰ প্ৰবাহ আৰু পৰিস্কাৰ পৰিচ্ছন্নতাৰ বাবে নমামি গংগে অভিযানৰ নামত উচৰ্গা কৰিছিল।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই কৰ্মচাৰী ভৱিষ্য নিধি সংস্থা-ই পি এফ অ'ৰ অধীনত বাধ্যতামূলক সামাজিক সুৰক্ষা সুবিধা লাভৰ বাবে পাৰিতোষিকৰ সীমা মাহিলী ১৫ হাজাৰৰ পৰা ২৫ হাজাৰ টকালৈ বৃদ্ধি কৰিছে। মন্ত্ৰীসভাই বৈঠকৰ অন্তত সংবাদমেল সম্বোধন কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি কয় যে এই সিদ্ধান্তৰ ফলত অতিৰিক্ত ৫১ লাখৰো অধিক কৰ্মচাৰীক ই পি এফ অ'ৰ বাধ্যতামূলক সামাজি সুৰক্ষাৰ সুবিধা আওতালৈ আহিব আৰু কৰ্মচাৰীৰ বাবে সামাজিক সুৰক্ষাৰ পৰিষৰ বৃদ্ধি পাব। এই সিদ্ধান্তৰ ফলত চৰকাৰক বছৰি প্ৰায় ১১ হাজাৰ ৩৩৯ কোটি টকা প্ৰয়োজন হ'ব বুলি অনুমান কৰা হৈছে।

বাইট (বৈষ্ণৱ)

ooooo

সমগ্ৰ দেশত আজি পৰিচ্ছন্নতাই সেৱা অভিযান, ২০২৬ আৰম্ভ হ'ব। ১৭ অক্টোবৰলৈ চলিবলগীয়া এই অভিযানৰ অধীনত চক্ৰীয় অৰ্থনীতি তথা আৱৰ্জনাৰ পৰা সম্পদ উদ্যমৰ জৰিয়তে পূৰ্বে চিহ্নিত ঠাই আৰু অধিক ভিৰ হোৱা ৰাজহুৱা স্থানসমূহ পৰিষ্কাৰ কৰি তোলা, যুৱ প্ৰজন্মৰ অংশগ্ৰহণ বৃদ্ধি আৰু পৰিচ্ছন্নতাৰ পৰা সমৃদ্ধিৰ দৃষ্টিভংগীৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰা হ'ব। এই বছৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে – 'পৰিচ্ছন্নতাৰ অভিযানত সহযোগিতা পৰিষ্কাৰ ভাৰত, বিকশিত ভাৰত'। এই বিষয়বস্তুৰ জৰিয়তে পৰিষ্কাৰ আৰু বিকশিত ভাৰতৰ দৃষ্টিভংগী পূৰণৰ ক্ষেত্ৰত সমূহীয়া অংশগ্ৰহণ আৰু উমৈহতীয়া দায়িত্বৰ বিষয়ে আলোকপাত কৰা হৈছে।

ooooo

অসমৰ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ২৫ গৰাকী প্ৰাৰ্থীয়ে ৩৫ খন মনোনয়ন দাখিল কৰিছে। মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে শনিবাৰৰ ভিতৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। মনোনয়ন দাখিল কৰা প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ দেৱাশীষ শৰ্মা, কংগ্ৰেছৰ শিৰামণি বৰা, এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমল আৰু তৃণমূল কংগ্ৰেছৰ আব্দুল চালাম অন্যতম। মনোনয়ন পত্ৰ দাখিলৰ কালি অন্তিম দিনা বিজেপিৰ প্ৰাৰ্থী দেৱাশীষ শৰ্মাই দলীয় নেতা-কৰ্মীক লগত লৈ নগাঁও জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে। বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ সৈতে মনোনয়ন পত্ৰ দাখিল পৰ্বত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি শীৰ্ষ নেতৃবৰ্গই অংশগ্ৰহণ কৰে।

কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাই নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদলেৰে জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়লৈ গৈ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিল পৰ্বত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, সাংসদ ৰকিবুল হুছেইনসহ দলটোৰ কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকে। কংগ্ৰেছৰ সভাপতিগৰাকীয়ে এই নিৰ্বাচনক লৈ আশাবাদী বুলি প্ৰকাশ কৰে।

এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলেও ধিং গে'টত থকা নগাঁও জিলা কাৰ্যালয়ৰ পৰা দলীয় সমৰ্থক আৰু কৰ্মকৰ্তাসকলক লৈ মনোনয়ন দাখিল কৰে। দলটোৰ সাধাৰণ সম্পাদক হাফিজ ৰচিৰ আহমেদ, দলৰ আটাইকেইগৰাকী বিধায়ক-প্ৰাক্তন বিধায়কে আজমলক সংগ দিয়ে। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ছালামে মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্দিয়াৰ বিধায়ক চেৰমান আলি আহমেদ উপস্থিত থাকে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

ooooo

দেশত চিতা বাঘৰ সংখ্যা ৫২ লৈ বৃদ্ধি পাইছে। সম্প্ৰতি কুনো ৰাষ্ট্ৰীয় উদ্যানত ৪৯ টা আৰু গান্ধী সাগৰ অভয়াৰণ্যত তিনিটা চিতা বাঘ আছে। ইয়াৰে ভিতৰত ৩২ টা চিতা বাঘৰ জন্ম ভাৰততে হৈছে। ২০২২ চনৰ ১৭ ছেপ্তেম্বৰৰ পৰা চলিত বৰ্ষৰ ১৭ ছেপ্তেম্বৰলৈ চিতা বাঘৰ স্থিতি সমীক্ষাৰ তথ্যত এই কথা পোহৰলৈ আহিছে।

উল্লেখযোগ্য যে, চাৰি বছৰ পূৰ্বে নামিবিয়া, দক্ষিণ আফ্ৰিকা আৰু বোট্ছানাৰ পৰা কেইবাটাও চিতা বাঘ ভাৰতলৈ অনা হৈছিল।

ooooo

মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই কালি শ্বিলঙৰ মালকি গ্ৰাউণ্ডত ২৪ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ মালকি বজাৰ উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। শ্বিলঙত বজাৰ আন্তঃগাথঁনি উন্নীতকৰণ উদ্যমৰ অংশ হিচাপে এই প্ৰকল্প ৰূপায়ন কৰা হ'ব। আনহাতে, স্মাৰ্ট চিটি উদ্যমৰ অধীনত শ্বিলং আৰু ইয়াৰ কাষৰীয়া অঞ্চলত প্ৰায় ১৩০ কোটি ব্যয় সাপেক্ষ আন এটা প্ৰকল্পৰ বাবেও বিনিয়োগ কৰা হৈছে। ৰাজ্য চৰকাৰৰ পুজিৰে ৰূপায়ন কৰিবলগীয়া এই প্ৰকল্পসমূহৰ ভিতৰত লাবান বজাৰ, প'ল' উন্নয়ন আৰু পদপথৰ ব্যৱসায়ৰ বাবে সুকীয়া বজাৰ আদি অন্যতম।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি শ্ৰী চাংমাই কয় যে, বিনিয়োগৰ উদ্দেশ্য হৈছে অৰ্থনৈতিক কামকাজ উন্নীত কৰা, ব্যৱসায় - বাণিজ্যৰ বাবে উন্নত স্থানৰ সুবিধা প্ৰদান কৰা আৰু জীৱিকাৰ সৃষ্টি কৰা।

০০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত হব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হব। ভাৰতে প্ৰথম দুখন খেলত জয়লাভ কৰি ইতিমধ্যে শৃংখলাত ২-০ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত অভিষেক শৰ্মাৰ সুন্দৰ প্ৰদৰ্শনৰ বলত জয়লাভ কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত সঞ্জু ছেমছনে ২২ টা বলত ৫৭ ৰান কৰি ভাৰতীয় দলৰ সহজ জয় নিশ্চিত কৰি তোলে।

০০০০০

**সমাপ্ত**